**Regional News Unit**
All India Radio, Guwahati
0000000000

**Date :** 08-08-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

Headline 8-8-25

১। ২০২৫ বৰ্ষক কিতাপৰ বৰ্ষ হিচাপে উদযাপন কৰাৰ সিদ্ধান্ত মন্ত্ৰীসভাৰ। এহেজাৰ যুৱ লেখকক ২৫ হাজাৰকৈ এককালীন সাহায্য প্ৰদানৰ সিদ্ধান্ত।

২। গোলাঘাটৰ মেৰাপানীৰ দৈয়াং বনাঞ্চলৰ দুই নম্বৰ নেঘেৰি বিলত প্ৰশাসনৰ উচ্ছেদ অভিযান।

৩। চীনে তিব্বতত ব্ৰহ্মপুত্ৰৰ উজনি অংশত বৃহত বান্ধ নিৰ্মাণ সম্পৰ্কীয় ঘটনাৰাজি কেন্দ্ৰীয় চৰকাৰে সুক্ষ্মভাৱে নিৰীক্ষণ কৰি থকা হৈছে বুলি ৰাজ্যসভাত চৰকাৰৰ প্ৰকাশ।

৪। ধাৰাবৰষুণৰ অশংকা কৰি ৰাজ্যৰ চাৰিখন জিলাৰ বাবে বতৰ বিজ্ঞান বিভাগৰ সতৰ্কতা জাৰি।

আৰু

৫। লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰৰ দ্বিতীয়টো টাৰ্মিনেল ভৱনলৈ চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় স্থাপত্য বঁটা।

0000000000

ৰাজ্যৰ অংগনবাড়ী সহায়িকাসকলক অংগনবাড়ী কৰ্মীলৈ পদোন্নতি দিয়াৰ ক্ষেত্ৰত বয়সৰ উৰ্ধসীমা ৪৫ৰ পৰা ৫০ বছৰলৈ বৃদ্ধি কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে এই সিদ্ধান্তৰ জৰিয়তে ৰাজ্যৰ বহু সংখ্যক অংগনবাড়ী সহায়িকা উপকৃত হ'ব বুলি উল্লেখ কৰে। মন্ত্ৰীসভাই ঔদ্যোগীকৰণৰ ক্ষেত্ৰত ৮৫০ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱত অনুমোদন জনায়। তদুপৰি দ্বিতীয় এডভান্টেজ আছামত স্বাক্ষৰিত চাৰিখন বুজাবুজিৰ চুক্তিটো মন্ত্ৰীসভাই অনুমোদন জনায়। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ত নামঘৰ, চৰকাৰী কাৰ্যালয় আৰু স্বেচ্ছাসেৱী সংগঠনসমূহক ভূমি প্ৰদানৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাই প্ৰায় সম্পূৰ্ণতা লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই মন্ত্ৰীসভাই প্ৰায় ৩৬ হাজাৰ এনে প্ৰস্তাৱত অনুমোদন জনাইছে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে ইয়াৰ ফলত ৩৬ হাজাৰ স্কুল, কলেজ, নামঘৰ আৰু চৰকাৰী অনুষ্ঠানে ভূমি লাভ কৰিবলৈ সমৰ্থ হ'ব।

২০২৫ বৰ্ষক কিতাপৰ বৰ্ষ হিচাপে উদযাপন কৰাৰ ক্ষেত্ৰতো মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি এহেজাৰ গৰাকী যুৱ লেখকক ২৫ হাজাৰ

টকাকৈ এককালীন সাহায্য প্ৰদান, ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক নৱেম্বৰৰ দৰমহাত কিতাপ ক্ৰয়ৰ বাবে এহেজাৰ টকাকৈ অতিৰিক্ত ধন প্ৰদান আৰু কিতাপৰ বৰ্ষ উপলক্ষে ড০ ভূপেন হাজৰিকাৰ নামত ৰাজ্য চৰকাৰে প্ৰকাশ কৰা এখন পুথি ১২ লাখ পৰিয়ালক বিতৰণকে ধৰি আন কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

(বাইট – মুখ্যমন্ত্ৰী)

মন্ত্ৰীসভাই লগতে মাজুলী, ডিফু, কলিয়াবৰ, শিলচৰ, অমিনগাঁও আৰু বঙাইগাঁৱত নিৰ্মিয়মান ছটা বিজ্ঞান কেন্দ্ৰৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত ১৭৮ কোটি টকাৰ প্ৰস্তাৱতো অনুমোদন জনায়। বি টি আৰ প্ৰশাসনে বি টি আৰ অঞ্চলত থকা উন্নয়ন খণ্ডসমূহক পুনৰ গঠনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱত অনুমোদনৰ বাবে কালিৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

0000000000

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগে আজি পুৱাৰে পৰা মেৰাপানী সীমান্তৰ দৈয়াং বনাঞ্চলৰ ২ নম্বৰ নেঘেৰিবিলৰ ৩০০ বিঘা ভূমিত উচ্ছেদ চলাব। জুলাইত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিলত প্ৰায় ৩০০ বিঘা ভূমিত উচ্ছেদ চলোৱা হ'ব বুলি ঘোষণা কৰিছিল। এই ঘোষণাৰ পাছতে গোলাঘাট জিলা বন বিভাগে ড্ৰোণৰ সহায়ত মেৰাপানীৰ নগা পাহাৰৰ দাঁতিত ২ নম্বৰ নেঘেৰিবিল গাঁৱত সন্দেহজনক লোকৰ বসতিপ্ৰধান অঞ্চলটোৰ দৃশ্য সংগ্ৰহ কৰাৰ লগতে বন বিভাগৰ এটা বৃহৎ দলে অঞ্চলটোত উপস্থিত হৈ ঘৰে ঘৰে গৈ জৰীপ আৰু তথ্য সংগ্ৰহ কৰিছিল। কালিও বন বিভাগে অঞ্চলটোত উপস্থিত হৈ উচ্ছেদৰ বাবে প্ৰস্তুতি চলায়। প্ৰায় ৭০খন এস্কেভেটৰৰ লগতে কেইবা শতাধিক বন কৰ্মী, আৰক্ষী আৰু প্ৰশাসনৰ লোক উচ্ছেদ অভিযানৰ বাবে সাজু হৈছে। জাননী লাভ কৰা অধিকাংশ পৰিয়ালে উচ্ছেদৰ পূৰ্বে বয়-বস্তু সামৰি নেঘেৰীবিল ত্যাগ কৰিছে। ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৪ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযানৰ পৰা সকাহ প্ৰদান কৰা নেঘেৰীবিলৰ ৫৯টা পৰিয়ালক চিনাক্ত কৰাৰ উদ্দেশ্যে বন বিভাগে ঘৰে ঘৰে গৈ জৰীপ আৰম্ভ কৰিছে। বন বিভাগৰ লোকে প্ৰতিটো পৰিয়ালৰ দেৱালত ক্ৰমিক নম্বৰ লিখি ন্যায়ালয়ৰ পৰা সকাহ লাভ কৰা পৰিয়ালসমূহ চিনাক্ত কৰাৰ ব্যৱস্থা কৰিছে।

উল্লেখযোগ্য যে নেঘেৰীবিলত উচ্ছেদ হবলগীয়া ২০৫টা পৰিয়ালৰ ভিতৰত ৭৪টা পৰিয়ালৰ লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে নেঘেৰীবিলৰ ৫৯টা আৰু নামবৰ বনাঞ্চলৰ ১৫টা পৰিয়াললৈ সাময়িকভাৱে সকাহ দিছিল আৰু পৰিয়ালকেইটাৰ বাবে উচ্ছেদৰ সয়সীমা ১৪ আগষ্টলৈ বৃদ্ধি কৰিছিল।

(বাইট)

ইপিনে, লখিমপুৰ জিলা প্ৰশাসনে কালি নাওবৈচাৰ ফুকনদলনি আৰু কলাখোৱাৰ ২৩৪ বিঘা ভূমিত উচ্ছেদ চলায়। আৰক্ষী প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে উচ্ছেদ অভিযান সুকলমে সম্পন্ন হয়। প্ৰশাসনে ফুকনদলনিৰ ১১৪টা পৰিয়াললৈ জাননী জাৰি কৰিছিল। উচ্ছেদৰ পূৰ্বে ৯০ শতাংশ পৰিয়ালে নিজৰ বাসগৃহ খালী কৰি অইন স্থানলৈ আঁতৰি যায়। জিলাখনত ৩ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ বাবে প্ৰশাসনে লক্ষ্য লৈছে। যোৰহাটত অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ মাটি অবৈধভাৱে দখল কৰি থকা দুটা পৰিয়ালৰ ঘৰত জিলা প্ৰশাসনে উচ্ছেদ চলায়। দুবছৰ পূৰ্বে জাননী দিয়াৰ পাছতো পৰিয়াল দুটাই সেই স্থানৰ পৰা আঁতৰি নোযোৱাত জিলা প্ৰশাসন উচ্ছেদ চলাবলৈ বাধ্য হয়।

0000000000

চীনে তীব্ৰতত ব্ৰহ্মপুত্ৰৰ ওপৰৰ অংশত বৃহৎ বান্ধ নিৰ্মাণ সম্পৰ্কীয় ঘটনাৰাজি ভাৰতে সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে কালি ৰাজ্যসভাত মুকুল বালকৃষ্ণ ৱাছনিক আৰু ৰিতাব্ৰত বেনাৰ্জীয়ে সোধা প্ৰশ্নৰ উত্তৰত এই কথা সদৰি কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰৰ উজনি অংশত চীনে বান্ধ নিৰ্মাণৰ কাম-কাজ আৰম্ভ কৰা বুলি ওলোৱা বাতৰি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। ১৯৮৬ চনত প্ৰথমে এই প্ৰকল্পৰ কথা ৰাজহুৱা কৰা হৈছিল আৰু তেতিয়াৰেপৰা চীনত বান্ধ নিৰ্মাণৰ প্ৰস্তুতি অব্যাহত আছিল। কেন্দ্ৰীয় চৰকাৰে চীনৰ জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ পৰিকল্পনাকে ধৰি ব্ৰহ্মপুত্ৰৰ সৈতে জড়িত সকলো ঘটনাৰাজি নিৰীক্ষণ কৰি আছে আৰু ব্ৰহ্মপুত্ৰৰ নামনি অংশত বসবাস কৰা ভাৰতীয় নাগৰিকসকলৰ জীৱন আৰু জীৱিকা সুৰক্ষিত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ২০০৬ চনত স্থাপন কৰা বিশেষজ্ঞ পৰ্যায়ৰ ব্যৱস্থাৰ লগতে কূটনৈতিক মাধ্যমেৰে দুয়োখন ৰাষ্ট্ৰৰ মাজেৰে বৈ যোৱা নৈসমূহৰ সৈতে জড়িত বিষয়সমূহক লৈ চীনৰ সৈতে আলোচনা কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ শেহতীয়া চীন ভ্ৰমণকে ধৰি বিভিন্ন সময়ত অনুষ্ঠিত দ্বিপাক্ষিক আলোচনাত পানী সম্বন্ধীয় তথ্যৰ আদান-প্ৰদানৰ ক্ষেত্ৰত সহযোগিতাৰ আৱশ্যকতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে। উল্লেখযোগ্য যে চীনে ব্ৰহ্মপুত্ৰৰ উজনি অংশত বান্ধ নিৰ্মাণ কৰাৰ ফলত বিশেষকৈ অসম আৰু অৰুণাচল প্ৰদেশৰ নামনি অংশত বিৰূপ প্ৰভাৱ পৰিব পাৰে বুলি বিশেষজ্ঞসকলে আশংকা প্ৰকাশ কৰি আহিছে।

0000000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আশংকা কৰি নগাঁও আৰু মৰিগাঁও জিলাত ORANGE ALERT জাৰি কৰিছে। বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে মধ্য অসমৰ এই জিলা দুখনৰ ঠাই বিশেষে আজি ৭ৰ পৰা ২০

ছেণ্টিমিটাৰ পৰ্যন্ত বিজুলী-ধেৰেকনিৰে বৰষুণ হ’ব পাৰে। বৰষুণৰ আশংকা কৰি কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ বাবেও বতৰ বিজ্ঞান বিভাগে Yellow Alert জাৰি কৰিছে।

0000000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বি টি চি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত বিজেপিৰ সাংগঠনিক ভেটি সবল কৰাৰ উদ্দেশ্য আজি ওদালগুৰিৰ খৈৰাবাৰী, ভেৰগাঁও আৰু নোনাই ছেৰফাং পৰিষদীয় সমষ্টিত তিনিখনকৈ  বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে দিনৰ ১১ বজাত খৈৰাবাৰী নগৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত, দুপৰীয়া ১২ বজাত ভেৰগাঁও ষ্টেডিয়ামত আৰু দিনৰ আঢ়ৈ বজাত ওৰংগাজুলি চাহ বাগিচা ময়দানত বিজেপিৰ দলীয় কৰ্মীসকলৰ সৈতে বিজয় সংকল্প সভাত মিলিত হ’ব। তেওঁ লগতে জনসভাতো ভাষণ দিব। জিলা প্ৰশাসন আৰু আৰক্ষী বাহিনীয়ে মুখ্যমন্ত্ৰীৰ ভ্ৰমণলৈ চাই ব্যাপক তৎপৰতা গ্ৰহণ কৰিছে। ওদালগুৰি জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাৰ নেতৃত্বত বিজেপিৰ কেইবাগৰাকীও নেতাই এই বিজয় সংকল্প সভা সফল কৰি তোলাৰ বাবে কেইবাদিনো ধৰি জিলাখনত বাহৰ পাতি আছে। মুখ্যমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত আমাৰ ওদালগুৰিৰ সংবাদদাতা নাৰায়ণ ডেকাই এইদৰে কয় -

(বাইট)

0000000000

বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত নৱনিৰ্মিত দ্বিতীয়টো টাৰ্মিনেল ভৱনলৈ আন্তঃৰাষ্ট্ৰীয় স্থাপত্য বঁটা, ২০২৫ আগবঢ়োৱা হৈছে। পৰিবহণ শিতানত টাৰ্মিনেল ভৱনটোৱে এই স্বীকৃতি লাভ কৰিছে। বিমান বন্দৰটোৱে অলংকৰণ আৰু সাংস্কৃতিক প্ৰতিনিধিত্বৰ ক্ষেত্ৰত এই  সন্মান লাভ কৰিবলৈ সমৰ্থ হৈছে। দ্বিতীয় টাৰ্মিনেল ভৱনটো নিৰ্মাণত বাঁহ আৰু কপৌ ফুলৰ নমুনা সংগ্ৰহ কৰা হৈছে। অসমৰ জৈৱ বৈচিত্ৰ পৰম্পৰাক ভৱনটোৰ ৰূপ আৰু আৰ্হিৰ সৈতে সংলগ্ন কৰি ন-ৰূপত প্ৰদৰ্শন কৰা হৈছে। ১ দশমিক ৪ – ০ লাখ বৰ্গমিটাৰ এলেকাজোৰা নৱনিৰ্মিত দ্বিতীয়টো টাৰ্মিনেল ভৱনত বাৰ্ষিক যাত্ৰীৰ ক্ষমতা ১ দশমিক ৩ – ১ কোটিলৈ বৃদ্ধি পাব। বৰ্তমানৰ টাৰ্মিনেলৰ তুলনাত এই ক্ষমতা ৬ গুণলৈ বৃদ্ধি পাব। বিমান যাত্ৰীসকলৰ সুবিধাৰ বাবে নতুন টাৰ্মিনেল ভৱনটোত ই-গেট ব্যৱস্থাৰ লগতে অত্যাধুনিক সা-সুবিধা সংলগ্ন কৰা হৈছে। দুহেজাৰ কোটি টকা ব্যয়সাপেক্ষে বিমান বন্দৰটোৰ দ্বিতীয়টো টাৰ্মিনেল ভৱনৰ প্ৰকল্পৰ কাম হাতত লোৱা হৈছে। নৱনিৰ্মিত টাৰ্মিনেল ভৱনটো চলিত বৰ্ষৰ নৱেম্বৰত মুকলি হ’ব বুলি মুখ্যমন্ত্ৰী ড°  হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে।

0000000000

আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল পৰিক্ৰমাক উদযাপন কৰাৰ উদ্দেশ্যে আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ উদ্যোগত আজি অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত কেইটামান বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি পুৱা চাৰে ৯ বজাৰ পৰা **আকাশবাণীৰ ৯০ বছৰ**শীৰ্ষক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত প্ৰচাৰণ সেৱাৰ গৌৰৱোজ্জ্বল ৯০ বছৰীয়া পৰিক্ৰমা আৰু অসম তথা আমাৰ দেশৰ বিভিন্ন ঠাইত থকা আকাশবাণী কেন্দ্ৰসমূহৰ সৈতে জড়িত প্ৰশ্নাৱলী থাকিব। বিশিষ্ট কুইজ পৰিচালক দীপাংকৰ কৌশিক আৰু দিলীপ কুমাৰ শৰ্মাই এই প্ৰতিযোগিতা পৰিচালনা কৰিব। দুজনকৈ সদস্য থাকিবলগীয়া দলটো একেখন শৈক্ষিক প্ৰতিষ্ঠান অথবা ভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰো হ'ব পাৰে। দুপৰীয়া ১ বজাৰ পৰা আকাশবাণীৰ ৯০ বছৰীয়া পৰিক্ৰমা, ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু ঐতিহাসিক পৰম্পৰা, ঘটনা-পৰিঘটনাক সামৰি অসমীয়াত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ শিক্ষাৰ্থীসকলে কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব। বিজয়ীসকলক আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰাৰ লগতে আকাশবাণীৰ যুৱবাণী অনুষ্ঠানত ভাগ ল'বলৈ আমন্ত্ৰণ জনোৱা হ'ব। বিয়লি ৪ বজাত, শেহতীয়াকৈ অনুষ্ঠিত আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সংগীতৰ অডিচনত উত্তীৰ্ণ হোৱা সকলকো প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। সন্ধিয়া চাৰে ৫ বজাৰ পৰা নতুন প্ৰজন্মৰ ৰেডিঅ'অনুৰাগী যুৱক-যুৱতী সকলে দেশপ্ৰেমমূলক গীত, কবিতা, নৃত্যৰ এটি অনুষ্ঠান পৰিৱেশন কৰিব।

0000000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ –Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325।

0000000000

NEWS PAPER REV.

কালি নিশা অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত সমুহৰ বিষয়ে গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমত এম জি এনৰেগা আঁচনি ৰূপায়নত ৰাজ্য চৰকাৰ ব্যৰ্থ হৈছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ প্ৰথম গৰাকী মহিলা পেৰা ট্ৰুপাৰ দীপান্বিতা কলিতা প্ৰখ্যাত মহিলা আলোচনী ফেমিনাত স্থান লাভ কৰিছে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক দৈনিক অসম কাকতেও প্ৰকাশ কৰিছে।

মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰেম্পৰ শুল্ক নীতিৰ বিৰুদ্ধে ভাৰতক চুবুৰীয়া চীনে সমৰ্থন কৰিছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে ভাৰতীয় বক্সিং ফেডাৰেচনৰ পৰা উন্নত প্ৰশিক্ষণৰ সুবিধা বিছাৰি দেশৰ আগশাৰীৰ বক্সিং খেলুৱৈ লাভলিনা বৰগোহাঁই অপমানিত হোৱাৰ অভিযোগ উঠিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন, আমাৰ অসম আৰু অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিটিচি নিৰ্বাচনৰ প্ৰাকক্ষণত প্ৰচাৰ সভাত অংশ লোৱাৰ বাতৰি প্ৰায় আটাইকেইখন কাকতে আলোকচিত্ৰ সহ প্ৰকাশ কৰিছে। ৮.৫ লাখ বছৰ পূৰ্বে মানুহে নিজৰ সন্তানৰ মাংস ভক্ষণ কৰিছিল বুলি এটা নতুন গৱেষণাত প্ৰকাশ পাইছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

0000000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন **২৭** ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে বিজুলী-ঢেৰেকণিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।০০০০০০০

0000000000

সমাপ্ত